ৰেলসেৱা আৰু ভাৰতীয় অৰ্থব্যৱস্থা (Railways and Indian economy) :

ভাৰতীয় সমাজ তথা অৰ্থনৈতিক জীৱনত ৰেলসেৱাৰ প্ৰভাৱ সৰ্বাত্মকভাৱে পৰিছিল। যাত্ৰী আৰু ব্যৱসায় পৰিবহনৰ স্বাৰ্থত ৰেলসেৱা ভাৰতবৰ্ষত প্ৰৱৰ্তন হোৱাত পূৰ্বতে সোনকালে আদান-প্ৰদান প্ৰণালীবোৰ পৰিচালিত হৈছিল। গতিকে ভাৰতীয় জনজীৱনৰ বাবে ৰেলে আছিল আশীৰ্বাদ।

ভাৰতবৰ্ষ হ'ল এখন কৃষি প্ৰধান দেশ। প্ৰাক ঔপনিবেশিক সমাজখনত ভাৰতত উৎপাদিত শস্যৰ অধিকাংশ পৰিমাণ দেশীয় জনসাধাৰণ বা স্থানীয় লোকসকলৰ ব্যৱহাৰৰ মাজতে সীমাবদ্ধ আছিল। ব্যৱসায়িক ভিত্তিত শস্যৰ আমদানি-ৰপ্তানিৰ প্ৰসঙ্গ ৰেলসেৱাৰ আগমনৰ পাছত ত্বৰান্বিত হৈছিল।

ৰেল পৰিবহণ ব্যৱস্থাৰ যোগেদি ভাৰতীয় কৃষি উৎপাদনসমূহে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিবলে সুযোগ পাইছিল। এই সন্দৰ্ভত যদি সমসাময়িক পৰিসংখ্যিক তথ্য বিচাৰ কৰা হয় তেন্তে দেখা যায় যে ১৮৮৬ খ্ৰীষ্টাব্দত ইংলেণ্ডৰ প্ৰয়োজন হোৱা গেঁহুৰ ২৩% ভাৰতীয় কৃষিক্ষেত্ৰৰ পৰা যোগান ধৰা হৈছিল। ১৮৮২ ৰ পৰা ১৯২৯ খ্ৰীষ্টাব্দৰ মাজৰ সময়ছোৱাত ইংলেণ্ডলৈ প্ৰায় ২০০ শতাংশ ভাৰতীয় গেঁহু ৰপ্তানি কৰা হৈছিল। সমান্তৰালভাৱে ভাৰতীয় কপাহী কাপোৰ, উল আৰু নগদী শস্য ইংলেণ্ডৰ খৰিদকাৰীক ৰেলসেৱাৰ যোগেদি ৰপ্তানি কৰি ভাৰতবৰ্ষই ৩৫০ শতাংশ লাভ আহৰণ কৰিছিল। সমকালীন বিশ্লেষকসকলৰ মতে, ৰেলসেৱাৰ ব্যাপ্তি সুচাৰু ১৮৮০ খ্ৰীষ্টাব্দ পৰ্যন্ত ভাৰতীয় শস্যৰ বজাৰখনৰ এক বিশেষ গ্ৰাফ হৈ উঠিছিল ইংলেণ্ড। ইয়াৰ সুফলত ভাৰতীয় উৎপাদনৰ পৰিমাণ ১/৪ শতাংশলৈ বৃদ্ধি পাইছিল। মুঠৰ ওপৰত ৰেলসেৱাৰ ক্ষীপ্ৰ সম্প্ৰসাৰণে ভাৰতীয় কৃষিনীতিক ইংলেণ্ডৰ বজাৰৰ লগত প্ৰত্যক্ষভাৱে সংযোজিত কৰিছিল।

আভ্যন্তৰীণ বাণিজ্য নীতিতো ৰেলসেৱাৰ ভূমিকা অভাৱনীয় আছিল। প্ৰাক ঔপনিবেশিক ভাৰতীয় আভ্যন্তৰীণ বজাৰসমূহত দ্ৰব্যমূল্যৰ তাৰতম্য পৰিলক্ষিত হৈছিল। অৰ্থাৎ বজাৰ ভেদে সামগ্ৰীৰ মূল্য ভিন ভিন আছিল। পিছত সৰ্বভাৰতীয় পৰ্যায়ত ৰেলসেৱাৰ বিস্তাৰে বজাৰ ভেদে মূল্য তাৰতম্য নীতিৰ পাৰ্থক্য হ্ৰাস কৰিবলৈ সক্ষম কৰিছিল। গতিকে ৰেলসেৱাৰ তৎপৰতাত ভাৰতীয় স্থানীয় বজাৰসমূহৰ চৰিত্ৰ পৰিৱৰ্তন হৈছিল আৰু স্থানীয় বজাৰসমূহ ক্ৰমে জাতীয় বজাৰলৈ উন্নীত হৈছিল।

ইতিহাসবিদসকলৰ মতে— ৰেলেৰ ছত্ৰছায়াত কৃষি উৎপাদন বৃদ্ধি, খাদ্য-শস্যৰ সমবিতৰণ তথা ৰপ্তানি, বজাৰসমূহৰ পৰিৱৰ্তন, কৃষি বাণিজ্যীকৰণ আৰু বেহা-বেপাৰৰ প্ৰয়োজনত উৎপাদন বৃদ্ধি নীতিয়ে আগভাগে ঘটিছিল। ভাৰতীয় কেঁচামালৰ ৰপ্তানি যোগেদি ৰেলসেৱাৰ মাধ্যমেদি ঔপনিবেশিক আমোলত ঔদ্যোগিকীকৰণ ধাৰণাৰ শ্ৰীবৃদ্ধি হৈছিল